# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-03-2025
**Time:** 1205 Hrs

## *Assamese Midday Bulletin*
**- - - - - - - - - - - - - -**

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত দুটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে ব্যাপক ৰূপত প্ৰচাৰ অব্যাহত ৰাখিছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোৱালপাৰা জিলাৰ পূব অজগৰ সমষ্টিৰ ৰংচাইত প্ৰচাৰ অভিযানত অংশ লৈছে। ইয়াৰ পাছত তেওঁ জিলাখনৰ বান্দৰশ্ৰী সমষ্টিৰ হাবাংগিৰী খেলপথাৰ আৰু ধুপধৰা সমষ্টিৰ দীঘলী ছনজাৰং ক্লাবত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবেও প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপি আৰু কংগ্ৰেছ দলে কালি জিলাখনৰ নিৰ্বাচন হ'বলগীয়া সমষ্টি কেইটাত প্ৰচাৰ অভিযানত অংশ লয়।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

মহিলা আৰু কন্যা শিশুসকলৰ শিক্ষা, সুৰক্ষা, নিৰাপত্তা আৰু সৱলীকৰণৰ বিষয়ক লৈ আজি গোলাঘাট জিলাৰ পুলিবাগানৰ সদৌ দৈয়াং মিচিং ৰংগমঞ্চত এখন জন সজাগতা সভাৰ আয়োজন কৰা হৈছে। সভাত অংশগ্ৰহণকাৰীসকলৰ মাজত পৰম্পৰাগত খেল-ধেমালি, মুকলি কুইজ, চিত্ৰাংকণ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাৰ লগতে জনসাধাৰণৰ সুবিধাৰ্থে শিক্ষা, সুৰক্ষা আৰু পৰিপুষ্টি বিষয়ক বাৰ্তা বুথ আৰু মহিলা আৰু কন্যা শিশুৰ ৰক্তহীনতা চিনাক্তকৰণ শিবিৰৰ আয়োজন কৰা হৈছে। সভাত মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ, কৃষি মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি কেইবাগৰাকী বিধায়ক উপস্থিত থকাৰ কথা।

ooooo

গোলাঘাট আৰক্ষীয়ে আজি ৰঙাজানৰ টোল গেটৰ সমীপত ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই ২০টা চাবোনৰ বাকচত অনা বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰে। হেৰ'ইনখিনিৰ বজাৰ মূল্য প্ৰায় দুই কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই সংক্ৰান্তত নৰেন দত্ত নামৰ এজন লোকক আটক কৰিছে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠানৰ বছা বছা অংশ সেইদিনা নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

ooooo

ৰাজ্যৰ বিভিন্ন স্থানত বিগত কেইটামান দিনত গড়ৰ মুক্ত বিচৰণৰ বাতৰি আমালৈ আহিছে। ধেমাজিৰ গেৰজাই তাপিটৰ ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ কাষত হাবিত বিচৰণ কৰি থকা এটা গড় চাবলৈ মথাউৰিত অঞ্চলটোৰ লোকে ভিৰ কৰে। বন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু আৰক্ষীয়ে গড়টো নিৰীক্ষণত ৰাখিছে। ইয়াৰ ১০ দিন পূৰ্বে বগীবিল দলঙৰ সমীপৱৰ্তী কাৰেং চাপৰিত এটা গড়ে বিচৰণ কৰি থকাৰ তথ্য লাভ কৰাৰ পাছত ধেমাজিৰ বন বিভাগ আৰু আৰক্ষীয়ে গড়টোৰ সন্ধানত দিনে-নিশাই অভিযান চলাই আছিল। ইপিনে উত্তৰ গুৱাহাটীৰ লেঙাত আজি পুৱতি নিশা অঞ্চলটোৰ লোকে এটা গড়ৰ মুক্ত বিচৰণ প্ৰত্যক্ষ কৰে। বন বিষয়াৰ কাৰ্যালয়ত বিষয়টো অৱগত কৰোৱাত বৰ্তমান বন বিভাগে গড়টো নিৰীক্ষণত ৰাখিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ দলে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত ৫টা উইকেট হেৰুৱাই ১৯৩ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ হৈ নিক'লাছ পুৰাণে ২৬টা বলত ৭০ ৰান আৰু মিচেল মাৰ্ছে ৩১টা বলত ৫২ ৰান কৰে। হায়দৰাবাদৰ অধিনায়ক পেট কামিন্সে দুটা উইকেট লাভ কৰে। ইয়াৰ আগেয়ে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান কৰে। হায়দৰাবাদৰ হৈ ট্ৰেভিছ হেডে ৪৭ আৰু অনিকেট বাৰ্মাই ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ হৈ চাৰিটা উইকেট দখল কৰা ছাৰ্দুল ঠাকুৰক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

সমাপ্ত